**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 09-02-2026
**Time :** 1715 HRS.

ASSAMESE EVENING BULLETIN

**:::::::::::::::::::::::::::::::::::::::::::**

০০০০

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ পৰীক্ষা পে চৰ্চাৰ দ্বিতীয় খণ্ডত ৰাজ্যৰ বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত বিনিময়।

২। ৰাজ্যৰ চাহ জনগোষ্ঠীৰ লোকসকলক ভূমিপট্টা প্ৰদানৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ প্ৰথমটো আনুষ্ঠানিক কাৰ্যসূচী আৰম্ভ।

৩। কাইলৈ ২৪ সংখ্যক বড়োলেণ্ড দিৱসৰ প্ৰস্তুতি সম্পূৰ্ণ।

আৰু

৪। টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত খেলত ইটালীৰ বিৰুদ্ধে স্কটলেণ্ডৰ ৭৩ ৰাণত জয়লাভ।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাজ্যৰ কেইবাগৰাকীও ছাত্ৰ-ছাত্ৰীৰ সৈতে পৰীক্ষা পে চৰ্চাৰ দ্বিতীয় খণ্ডত মত বিনিময় কৰে। শ্ৰী মোদীয়ে ছাত্ৰ-ছাত্ৰীসকলক মানসিক চাপ আৰু উদ্বিগ্নতাৰ পৰা আঁতৰত থাকি পৰীক্ষাৰ প্ৰস্তুতি চলাবলৈ আহ্বান জনায়। এই মত বিনিময় কালত প্ৰধানমন্ত্ৰীয়ে ছাত্ৰ-ছাত্ৰীসকলক সৰু-সৰু ষ্টাৰ্টআপৰ জৰিয়তে উদ্যমশীলতাৰ যাত্ৰা আৰম্ভ কৰিবলৈ আহ্বান জনায়।

অধ্যয়ন আৰু নিচাৰ মাজত ভাৰসাম্য বজাই ৰখা সন্দৰ্ভত প্ৰধানমন্ত্ৰীয়ে ছাত্ৰ-ছাত্ৰীসকলক কয়, যে তেওঁলোকে বিদ্যায়তনিক পাঠ্যক্ৰম আৰু সৃষ্টিমূলক কাম-কাজ পৃথক বুলি ভবা উচিত নহয়। দুয়োটাই সমানেই গুৰুত্বপূৰ্ণ আৰু দুয়োটা বৰ্তাই ৰখাৰ ক্ষেত্ৰত ভাৰসাম্য ৰক্ষা কৰাটো টান কাম নহয় বুলিও তেওঁ উল্লেখ কৰে। কলাত্মক আৰু সৃষ্টিশীল কাম-কাজ তথা অৱসৰ বিনোদনে ছাত্ৰ-ছাত্ৰীৰ মানসিক  চাপ আৰু ক্লান্তি দূৰ কৰি মন সুস্থিৰ কৰি তোলে বুলি তেওঁ কয়। প্ৰধানমন্ত্ৰীয়ে শিক্ষাৰ্থীসকলক তেওঁলোকৰ সামাজিক দায়বদ্ধতাৰ কথা সোঁৱৰাই দি ৰাজহুৱা স্থানসমূহ পৰিষ্কাৰ কৰি ৰখাৰ লগতে যান-বাহনৰ আইন মানি চলিবলৈ আৰু খাদ্যৰ অপ-ব্যৱহাৰ নকৰিবলৈ আহ্বান জনায়। অনুশাসন আৰু নিয়মানুৱৰ্তিতাই ৰাষ্ট্ৰ গঠনত বৃহৎ ভূমিকা পালন কৰে বুলিও তেওঁ মন্তব্য কৰে। ভ'কেল ফ'ৰ লোকেলৰ বিষয়ে উল্লেখ কৰি তেওঁ শিক্ষাৰ্থীসকলক ভাৰতত প্ৰস্তুত কৰা সামগ্ৰী ক্ৰয় কৰি ঘৰুৱা অৰ্থনীতি শক্তিশালী কৰি তুলিবলৈ আহ্বান জনায়। কৃত্ৰিম বুদ্ধিমত্তা আৰু প্ৰযুক্তিৰ ব্যৱহাৰে সংকট সৃষ্টি কৰিব পাৰে নেকি বুলি একাংশ শিক্ষাৰ্থীয়ে সোধা প্ৰশ্নৰ উত্তৰত প্ৰধানমন্ত্ৰীয়ে কয়, যে প্ৰযুক্তিৰ ব্যৱহাৰক লৈ শংকিত আৰু ইয়াৰ ওপৰত সম্পূৰ্ণৰূপে নিৰ্ভৰশীল হোৱাৰ পৰিৱৰ্তে  শিক্ষাৰ্থীসকলে ইয়াৰ সৎ ব্যৱহাৰ কৰি লাভান্বিত হ'বলৈ আহ্বান জনায়। শ্ৰী মোদীয়ে ছাত্ৰ-ছাত্ৰীসকলক যিকোনো অঞ্চল ভ্ৰমণ কৰিলে সেই অঞ্চলৰ বিষয়ে জ্ঞান আহৰণ কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে ছাত্ৰ-ছাত্ৰীসকলক নিজৰ বিষয়সমূহ গভীৰভাৱে অধ্যয়ন কৰাৰ লগতে সুস্থ প্ৰতিযোগিতা কৰিবলৈও পৰামৰ্শ দিয়ে।

০০০০

ৰাজ্যৰ চাহ জনগোষ্ঠীৰ লোকসকলক ভূমিপট্টা প্ৰদানৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ প্ৰথমটো আনুষ্ঠানিক কাৰ্যসূচী মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি চাবুৱাত আৰম্ভ কৰে। দিনজয় চাহ বাগিচাৰ খেল পথাৰত অনুষ্ঠিত এই কাৰ্যসূচীত ড° শৰ্মাই প্ৰস্তাৱিত ভূমি বন্দোৱস্তিৰ প্ৰ-পত্ৰসমূহ বিতৰণ কৰে। এই বন্দোৱস্তি অনুযায়ী শ্ৰমিকৰ আবাসিক এলেকাত বসবাস কৰা চাহ জনগোষ্ঠীৰ শ্ৰমিক পৰিয়ালসমূহক এই প্ৰ-পত্ৰ প্ৰদান কৰা হ'ব। ইয়াৰ জৰিয়তে এই পৰিয়ালসমূহে আধুনিক জৰীপ মানচিত্ৰৰ জৰিয়তে ভূমিৰ অধিকাৰ লাভ কৰিব। ইয়াৰ লগতে গৃহ নিৰ্মাণ আৰু প্ৰয়োজনীয় বেংক ঋণ, শিক্ষা আৰু কল্যাণমূলক আঁচনিসমূহৰ সুবিধাও লাভ কৰিব। এই অধিকাৰ ডিজিটেলী নথিভুক্ত স্থায়ী ভূমি অধিকাৰ হ'ব বুলি ৰাজ্য চৰকাৰে ইতিমধ্যে সদৰি কৰিছে। ৮২৬ খন চাহ বাগিচা সামৰি লোৱা এই পদক্ষেপৰ অন্তৰ্ভুক্ত শ্ৰমিক পৰিয়ালসমূহক সংশ্লিষ্ট ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় অথবা নিৰ্ধাৰিত কেন্দ্ৰৰ পৰা অফলাইন প্ৰ-পত্ৰ সংগ্ৰহ কৰিবলৈ ৰাজ্য চৰকাৰে অনুৰোধ জনাইছে। ৰাজ্য চৰকাৰে শ্ৰমিকসকলক ভূমিৰ অধিকাৰ প্ৰদানৰ ক্ষেত্ৰত যুগান্তকাৰী পদক্ষেপ লৈছে বুলি মুখ্যমন্ত্ৰীয়ে নিজৰ ভাষণত উল্লেখ কৰে।

বাইট

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত ডিব্ৰুগড় জিলাৰ টিংখাং বিধানসভা সমষ্টিৰ ঘুটুংছিগা চাৰিআলিত আয়োজিত অনুষ্ঠানত প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ কৰে। এই অভিযানৰ জৰিয়তে সাধাৰণ শাখাত সাহায্যপ্ৰাপ্ত প্ৰতিগৰাকী ব্যক্তিলৈ ২ লাখ টকাকৈ, বৃত্তিগত শাখাত বাছনিপ্ৰাপ্তসকললৈ ৫ লাখ টকাকৈ ৫০ শতাংশ অনুদান আৰু ৫০ শতাংশ নগদবিহীন ঋণ আগবঢ়োৱা হৈছে।

০০০০

ৰাজ্যৰ বিভিন্ন জিলাৰ চাহ বাগিচাৰ লগতে গোৱালপাৰা জিলাৰ দুখন চাহ বাগিচাতো আজি চাহ বাগিচাৰ শ্ৰমিক আৰু শ্ৰমিক পৰিয়ালৰ বাবে প্ৰস্তাৱিত ভূমি বন্দৰস্তিৰ প্ৰ-পত্ৰ আনুষ্ঠানিক ভাৱে বিতৰণ কৰা হয়। এই উপলক্ষে মৈজঙ্গা চাহ বাগিচাৰ শ্ৰমিক সকলৰ বাবে ৰাক্ষসিনী জৱহৰলাল প্ৰাথমিক বিদ্যালয় প্ৰাংগণত আয়োজিত অনুষ্ঠানত চাহ বাগিচাখনৰ ৫৮ টা পৰিয়ালৰ মাজত প্ৰস্তাৱিত ভূমি বন্দৰস্তিৰ প্ৰ-পত্ৰ  কৰা হয় । অনুষ্ঠানটোত গোৱালপাৰা জিলা পৰিষদৰ অধ্যক্ষ মহন্ত ৰাভা মুখ্য অতিথি হিচাপে উপস্থিত থাকি প্ৰ পত্ৰ সমূহ বিতৰণ কৰে । কাৰ্যসূচীত গোৱালপাৰা পশ্চিম সম জিলাৰ আয়ুক্ত নৱজিত পাঠক আৰু জিলা পৰিষদৰ সদস্যা ৰূপালী ৰাভাও উপস্থিত থাকে । ইপিনে জিলাখনৰ শিমলীতোলা চাহ বাগানতো ২৫৬ গৰাকী চাহ শ্ৰমিক আৰু শ্ৰমিক পৰিয়ালৰ মাজত এনে প্ৰ পত্ৰ বিতৰণ কৰা হয় ।

০০০০

শিক্ষামন্ত্ৰী তথা শিৱসাগৰ জিলাৰ অভিভাৱক মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি জিলা আয়ুক্ত কাৰ্যালয়ত আয়োজিত এটা অনুষ্ঠানত অসম দৰ্শন আঁচনিৰ অধীনত চেক বিতৰণ কৰে। এই অনুষ্ঠানত জিলাখনৰ ৩৩০টা নামঘৰলৈ ৩ লাখ টকাকৈ অনুদান আগবঢ়োৱা হয়। ইয়াৰ লগতে আন ১৫০টা নামঘৰলৈ ডেৰ লাখ টকাকৈ অনুদান পত্ৰ আগবঢ়োৱা হয়। অনুষ্ঠানত অংশ লোৱাৰ পাছত মন্ত্ৰীগৰাকীয়ে সাংবাদিকৰ আগত এইদৰে কয়-

বাইট

০০০০০০০

বিটিচিৰ সৰ্বাংগীন উন্নয়নৰ পুনৰ প্ৰতিশ্ৰুতিৰে কাইলৈ ২৪ সংখ্যক বড়োলেণ্ড দিৱস উদযাপন কৰা হ'ব। এই উপলক্ষে কোকৰাঝাৰৰ বডোফা নগৰৰ গ্ৰীণ ফীল্ডত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। অনুষ্ঠানত বিটিচিৰ মুৰববী হাগ্ৰামা মহিলাৰী আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত বৰুৱা উপস্থিত থাকিব। তামুলপুৰ জিলাতো কাইলৈ বি পি এফ দলৰ উদ্যোগত জিলাখনৰ থাইগিৰখাৰীৰ হিৰিম্বা হালামাৰি বাথৌ ফিল্ডত বড়োলেণ্ড দিৱসৰ কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। এই অনুষ্ঠানত কেইবাটাও জাতি-জনগোষ্ঠীৰ স্ৱকীয় পৰম্পৰা আৰু সংস্কৃতি প্ৰদৰ্শন কৰা হ'ব। এই উপলক্ষে আজিৰে পৰা বিভিন্ন খেল-ধেমালি প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। কাইলৈ বড়োলেণ্ডৰ শ্বহীদসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ স্মৃতিত শ্ৰদ্ধা নিবেদন কৰা হ'ব। দিনৰ ১১ বজাত হ'বলগীয়া মুকলি সভাত বি টি চিৰ কাৰ্যবাহী সদস্য গণেশ কছাৰী মুখ্য অতিথি হিচাপে উপস্থিত থাকে। দিৱসৰ অংশ হিচাপে বি পি এফে পাঁচটা নিৰ্বাচনী প্ৰতিশ্ৰুতি আনুষ্ঠানিকভাৱে প্ৰদান কৰাৰ লগতে কেইবাখনো আঁচনিৰ অধীনত আৰ্থিক সাহায্য প্ৰদান কৰিব। বড়োলেণ্ড দিৱসৰ পৰিপ্ৰেক্ষিতত কাইলৈ বিটিচিত স্থানীয় বন্ধৰ দিন ঘোষণা কৰা হৈছে। বিটিচিৰ সচিবে জাৰি কৰা নিৰ্দেশ অনুসৰি কাইলৈ বিটিচিৰ সকলোবোৰ চৰকাৰী কাৰ্যালয়ৰ লগতে ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানসমূহ বন্ধ থাকিব।

০০০০

গোৱালপাৰা জিলাৰ ভেলাখমাৰ গাঁৱৰ শ্বহীদ মহিবুল ইছলামৰ বাসগৃহত আজি চি আৰ পি এফৰ ১৫২ নম্বৰ বেটেলিয়নে এটা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰে। বাহিনীটোত কৰ্মৰত অৱস্থাত মহিবুল ইছলামে ২০০৭ চনৰ ৯ ফেব্ৰুৱাৰীত মণিপুৰত উগ্ৰপন্থীৰ আক্ৰমণত প্ৰাণ হেৰুৱাইছিল। আজি তেওঁ শ্বহীদ হোৱা দিনটোতে বাহিনীটোৱে তেওঁৰ বাসগৃহত এই অনুষ্ঠানৰ আয়োজন কৰি শ্বহীদৰ প্ৰতি গভীৰ শ্ৰদ্ধা নিবেদন কৰে। চি আৰ পি এফৰ ১৫২ নম্বৰ বেটেলিয়নৰ সহ কামাণ্ডেণ্ট অনিল কুমাৰে শ্বহীদগৰাকীৰ পিতৃ-মাতৃ আৰু পৰিয়ালৰ সদস্যৰ সৈতে মত-বিনিময় কৰে।

০০০০

টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত খেলত স্কটলেণ্ডে ইটালীক ৭৩ ৰাণত পৰাজিত কৰে। স্কটলেণ্ডে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত চাৰিটা উইকেট হেৰুৱাই ২০৭ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ইটালীয়ে ১৬ অ'ভাৰ আৰু ৪টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৩৪ ৰানহে কৰিবলৈ সমৰ্থ হয়।

কলম্বোত অনুষ্ঠিত আন এখন খেলত ওমানে জিম্বাবুৱেক জয়ৰ বাবে ১০৪ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। জিম্বাবুৱেই টছত জিকি বলিং কৰাৰ সিদ্ধান্ত লয়। ওমানে প্ৰথমে বেট ধৰি ১৯ অভাৰ ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১০৩ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত জিম্বাবুৱেই এই বাতৰি যুগুতোৱাৰ পৰলৈকে ৫ অভাৰত দুটা উইকেট হেৰুৱাই ৩৫ ৰাণ সংগ্ৰহ কৰিছে।

০০০০

ঃঃ সমাপ্ত ঃঃ